# জাননী

ইয়াৰ দ্বাৰাই সদাশয় ৰাইজক জনোৱা হয় যে, সম্প্ৰতি “প্ৰধান মন্ত্ৰী কিযাণ সন্মান নিধি” (PM-KISAN) আঁচনিখন জিলা উপায়ুক্তৰ তত্বাৱধানত পুণৰীক্ষণৰ কাম চলি আছে। প্ৰনিধানযোগ্য যে, উক্ত পুণৰীক্ষণত দৰং জিলাৰ কিছুসংখ্যক হিতাধিকাৰীৰ নাম চিনাক্ত কৰিব পৰা হোৱা নাই। এনে চিনাক্ত নোহোৱা হিতাধিকাৰী সকলৰ নাম পি. এম. কিষাণ আই. ডি. (PM-KISAN_ID)ত তথ্য সন্নিবিষ্ট তালিকা সমূহ দৰং জিলাৰ NIC Website ত প্ৰকাশ কৰা হৈছে। এই ৱেব পৰ্টেলৰ হাইপাৰলিংকত অনুসন্ধান কৰি নিজৰ নাম তালিকাভুক্ত হৈছে নেকি চাই ল’ব পাৰিব। যদি তালিকাখনত নিজৰ নাম উল্লেখ থকা দেখা পায়, তেনেহ’লে ততালিকে গাওঁবুঢ়াৰ পৰা আপুনি যে প্ৰকৃত খেতিয়ক হয় তাৰ এখন প্ৰমাণ পত্ৰৰ সৈতে দৰং জিলা কৃষি বিষয়াৰ কাৰ্যালয়, দৰং, মঙলদৈত নিজৰ KYC দাখিল কৰি নিজ পৰিচয় নিশ্চিত কৰিবলৈ জনোৱা হ’ল।

উপায়ুক্ত
দৰং, মঙলদৈ

Scanned with CamScanner